# Telephone conversation between Prime Minister Shri Narendra Modi and Prime Minister of Italy H.E. Mr. Mario Draghi

August 27, 2021

---

# প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু ইটালীৰ প্ৰধান মন্ত্ৰী মাননীয় মিঃ মাৰিঅ' ড্ৰাঘীৰ মাজত ফোন যোগে বাৰ্তালাপ

আগষ্ট 27, 2021

প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ইটালীৰ প্ৰধান মন্ত্ৰী মাননীয় মিঃ মাৰিঅ' ড্ৰাঘীৰ সৈতে ফোন যোগে বাৰ্তালাপ কৰে।

নেতা দুজনে আফগানিস্তানৰ শেহতীয়া পৰিস্থিতি আৰু অঞ্চলটো আৰু বিশ্বৰ ওপৰত ইয়াৰ প্ৰভাৱ আলোচনা কৰে।

তেওঁলোকে যোৱা কালি কাবুল আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত হোৱা ভয়ংকৰ আক্ৰমণৰ কঠোৰ ভাষাৰে গৰিহণা দিয়ে, আৰু বৈ যোৱা ব্যক্তিসকলৰ নিৰাপদ প্ৰত্যাৰ্পণ নিশ্চিত কৰাৰ প্ৰয়োজনৰ ওপৰত জোৰ দিয়ে।

তেওঁলোকে জি20 স্তৰকে ধৰি আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰয়োজন উল্লেখ কৰে মানৱতা সংকট আৰু আফগানিস্তানৰ পৰিস্থিতিৰ পৰা উদয় হোৱা দীৰ্ঘদিনীয়া সুৰক্ষা বিষয়সমূহৰ সৈতে যুঁজাৰ বাবে।

দুয়ো নেতাই লগতে জি20 সূচীৰ আন গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰে, যেনে জলবায়ু পৰিৱৰ্তন। এই সন্দৰ্ভত, তেওঁলোকে আন আগন্তুক বহুপক্ষীয় যোগাযোগৰ ওপৰতো ভাব বিনিময় কৰে, যেনে চিঅ'পি-26।

প্ৰধান মন্ত্ৰীয়ে ইটালীৰ গতিশীল নেতৃত্বৰ প্ৰশংসা কৰে জি20ত আলোচনাসমূহক উৎপাদনশীলভাৱে গতি দিয়াত।

দুয়ো নেতাই সন্মত হয় দ্বিপক্ষীয় আৰু বিশ্বযোৰা বিষয়সমূহৰ ওপৰত যোগাযোগত থাকিবলৈ, বিশেষকৈ আফগানিস্তানৰ পৰিস্থিতিৰ ওপৰত।

**নতুন দিল্লী**
**আগষ্ট 27, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.